**ASOMJOB.IN**

1. চমু উত্তৰ দিয়া-

a) বুনিয়াদী শিক্ষাৰ জনক কোন?

উত্তৰ- মহাত্মা গান্ধী।

b) সমাজত শিক্ষাৰ আৱশ্যকতাৰ এটা উদাহৰণ দিয়া।

উত্তৰ- শিক্ষাৰ দ্বাৰা আৰ্থিক অৱস্থাৰ উন্নয়ন সাধন কৰা, মানৱ সম্পদ সৃষ্টি হোৱা।

c) মানৱ অধিকাৰ শিক্ষাৰ এটা উদ্দেশ্য উল্লেখ কৰা।

উত্তৰ- ব্যক্তি বা শিশু সকলক স্ব-অধিকাৰ, প্ৰমূল্য বোধ, আৰু দায়িত্ব তথা কতব্যৰ প্ৰতি সজাগ কৰা।

d) স্বাধীন ভাৰতৰ প্ৰথম খন শিক্ষা আয়োগৰ নাম লিখা।

উত্তৰ- বিশ্ব-বিদ্যালয় শিক্ষা আয়োগ, ১৯৪৮-৪৯ চনত স্থাপন কৰা হৈছিল।

e) শিকনৰ সংজ্ঞা লিখা।

উত্তৰ- “ক্ৰ’ আৰু ক্ৰ’ ৰ মতে শিকন হ’ল জ্ঞান, অভ্যাস আৰু মনোভাৱ আহৰণৰ প্ৰক্ৰিয়া”।

2. পাৰ্থক্য লিখা-

3*3=9

a) শিক্ষা আৰু বিদ্যালয় শিক্ষা-

| শিক্ষা | বিদ্যালয় শিক্ষা |
|---|---|
| শিক্ষা হ’ল জীৱনব্যাপি অভিজ্ঞতা আহৰণৰ প্ৰক্ৰিয়া। | নিৰ্দিষ্ট সময়ৰ বাবে জ্ঞান আহৰণ কৰা ব্যৱস্থা। |
| ই অনানুষ্ঠানিক এক প্ৰক্ৰিয়া। | ই আনিষ্ঠানিক প্ৰনালী বদ্ধ প্ৰক্ৰিয়া। |
| এই শিক্ষাত কোনো ডিগ্ৰী বা ডিপ্লমা প্ৰাপ্ত নহয়। | বিদ্যালয় শিক্ষাৰ শেষত কোনো ডিগ্ৰী বা ডিপ্লমা প্ৰাপ্ত হয়। |

b) আনুষ্ঠানিক শিক্ষা আৰু অনানুষ্ঠানিক শিক্ষা-

| আনুষ্ঠানিক শিক্ষা | অনানুষ্ঠানিক শিক্ষা |
|---|---|
| এই শিক্ষা প্ৰনালী বদ্ধ ভাৱে কোনো বিদ্যালয় বা আন শিক্ষাৰ অনুষ্ঠানত প্ৰদান কৰা হয়। | এই শিক্ষা হ’ল জীৱনব্যাপি অভিজ্ঞতা আহৰণৰ প্ৰক্ৰিয়া। |

ASOMJOB.IN

| | |
|---|---|
| এই শিক্ষাত জ্ঞান আহৰণৰ বাবে নিৰ্দিষ্ট সময় আৰু বয়স ধাৰ্য কৰা থাকে। | কোনো ধৰণৰ সময় আৰু বয়সৰ কথা নাথাকে, দৈনন্দিন জীৱনৰ পৰা জ্ঞান আহৰণ কৰা প্ৰক্ৰিয়া। |
| বিদ্যালয় শিক্ষাৰ শেষত কোনো ডিগ্ৰী বা ডিপ্লমা প্ৰাপ্ত হয়। | এই শিক্ষাত কোনো ডিগ্ৰী বা ডিপ্লমা প্ৰাপ্ত নহয়। |

c) সামাজিক পৰিৱৰ্তন আৰু সামাজিক বিকাশ-

| সামাজিক পৰিৱৰ্তন | সামাজিক বিকাশ |
|---|---|
| পুৰণি নীতি নিৰ্দেশনা, ৰীতি-নীতি বদলি হৈ নতুন ৰীতি-নীতিৰ প্ৰচলন হোৱা ব্যৱস্থা। | ধনাত্মক পৰিৱৰ্তন, পুৰনি ৰীতি নীতি সমূহ সম্পূৰ্ণ ভাৱে বদলি নহয়, কেৱল অপ্ৰয়োজনীয়, কু-ৰীতি, অন্ধ-বিশ্বাস আদিৰ বিলোপ হয়। |
| সমাজত বসবাস কৰা ব্যক্তিৰ শ্ৰেনী সমূহৰ পৰিৱৰ্তন হয়। | ব্যক্তিৰ জীৱন ধাৰণৰ মান উন্নত হয়, আৰু সমাজত সমতা স্থাপন হয়। |
| সমাজৰ আচাৰ ব্যৱহাৰ, ধৰ্ম, আৰ্থিক অৱস্থাৰ পৰিৱৰ্তন হয়। | সমাজৰ আচাৰ-ব্যৱহাৰ, চিন্তা-চৰ্চা আদি শিক্ষাৰ দ্বাৰা প্ৰভাৱিত হয়। বৈজ্ঞানিক দৃষ্টি ভংগীৰ দ্বাৰা সমাজ পৰিচালিত হয়। |

d) শিক্ষকৰ বৃত্তিগত বিকাশ আৰু বৃত্তিগত নীতি-

| শিক্ষকৰ বৃত্তিগত বিকাশ | শিক্ষকৰ বৃত্তিগত নীতি |
|---|---|
| ই হ'ল এক সহযোগিতা মূলক প্ৰক্ৰিয়া। | ই শিক্ষকৰ বাবে ধাৰ্য কৰা নীতি নিয়ম, যি প্ৰত্যেক জন শিক্ষকে পালন কৰাটো অতি জৰুৰী। |
| ই শিক্ষকৰ ব্যক্তিগত বৃত্তিগত উন্নয়নত সহায় কৰে, শিক্ষক সকলক নৈতিক আচৰণ বৰ্তাই ৰখাত সহায় কৰে। | ই শিক্ষকৰ উন্নয়নৰ লগতে সমগ্ৰ শিকন-শিক্ষন প্ৰক্ৰিয়াটো প্ৰভাৱান্বিত কৰে। |
| ছাত্ৰ ছাত্ৰী, অভিভাৱকৰ লগত সু-সম্পৰ্ক স্থাপন কৰা আৰু বিদ্যালয় পৰিচালনাত শিক্ষকক সহায় কৰে। | শিক্ষক সকলক নিজৰ বৃত্তিৰ প্ৰতি শ্ৰদ্ধা, আৰু ভালপোৱা বৃদ্ধি কৰে। |

3. শিক্ষাত প্ৰকৃতিবাদ কি? মাৰিয়া মন্টেচৰীৰ প্ৰাথমিক শিক্ষালৈ আগবঢ়োৱা অৱদানবোৰ উল্লেখ কৰা।
১+৩=৪

ASOMJOB.IN

উত্তৰ- শিক্ষা গ্ৰহন শিশুৰ প্ৰকৃতি অনুযায়ী প্ৰাকৃতিক পৰিৱেশত সমাপন হোৱাই হৈছে প্ৰকৃতি বাদ। প্ৰকৃতিবাদী সকলৰ মতে মানুহে পৰিকল্পনা কৰি প্ৰস্তুত কৰা শিক্ষা ব্যৱস্থা শিশুৰ বাবে গ্ৰহণযোগ্য নহয়। প্ৰকৃতিৰ অংশ হিচাপে শিশুৱে স্বাধীন ভাৱে প্ৰাকৃতিক পৰিৱেশত অভিজ্ঞতা অৰ্জন কৰাই হ'ল প্ৰকৃত শিক্ষা।

মাৰিয়া মন্টেছৰীৰ শিক্ষালৈ আগবঢ়োৱা অৱদান-

১) শিশু উপযোগী আৰু শিশু কেন্দ্ৰীক শ্ৰেনী কোঠা ব্যৱস্থাৰ প্ৰচলন কৰা।

২) শিশুৰ বাবে ব্যক্তিগত শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা, যিহেতু প্ৰত্যেকজন শিশুৰ আগ্ৰহ, ৰুচী-অভিৰুচী, ক্ষমতা, আৰু মানসিক অৱস্থা একে মহয় সেয়ে পৃথক ভাৱে শিশুসকলক শিক্ষা প্ৰদান কৰা।

৩) মূৰ্ত শিকন সজুলিৰ ব্যৱহাৰ প্ৰথা প্ৰণয়ন। ছাত্ৰ ছাত্ৰী সকলক কোনো বিষয়ৰ জ্ঞান আহৰণৰ বাবে হাতেৰে চুই চাব পৰা সামগ্ৰী প্ৰদান কৰা।

4. সামাজিক বৈষম্য কি? বিদ্যালয়ত এই বৈষম্যসমূহ দূৰীকৰণৰ বাবে শিক্ষকৰ ভূমিকা কেনে হোৱা উচিত আলোচনা কৰা ? ১+৩=৪

উত্তৰ- সমাজত বসবাস কৰা ব্যক্তি সমূহ জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সম-অধিকাৰ প্ৰাপ্ত নোহোৱা ব্যৱস্থাই হৈছে সামাজিক বৈষম্য। কিছু সংখ্যক লোকে এনে সমাজত বিশেষ সুবিধা বা অধিকাৰ ভোগ কৰে।

সামাজিক বৈষম্যতা ৰোধ কৰিবৰ বাবে শিক্ষকৰ ভূমিকা-

(১) সংবিধান প্ৰদত্ত সকলো অধিকাৰৰ বিষয়ে ছাত্ৰ-ছাত্ৰী সকলক জ্ঞাত কৰোৱা।

(২) শ্ৰেনী কক্ষত কোনো ধৰণৰ সামাজিক বৈষম্য মূলক কাৰ্যৰ পৰা বিৰত থকা, আৰু শিশু সকলকো এনে আচৰণ নকৰিবলৈ উৎসাহ যোগোৱা।

(৩) বিদ্যালয়ত বা সামাজিক স্থানত ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা সজাগত মূলক কাৰ্যসূচী আয়োজন কৰা।

5. পৰাধীন ভাৰতৰ শিক্ষাৰ ক্ষেত্ৰত মিচনেৰী সকলৰ প্ৰভাৱৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰা। ৪

উত্তৰ- খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ বাবে ভাৰতলৈ অহা মিচনেৰী সকলে ভাৰতৰ শিক্ষা ব্যৱস্থাত উল্লেখযোগ্য বৰঙনি আগবঢ়াইছে। ভাৰতবৰ্ষত আধুনিক শিক্ষা ব্যৱস্থা প্ৰচলন কৰাত মিছেনৰী সকলৰ অৱদান অনস্বীকাৰ্য। বিদ্যালয় স্থাপন, ভাৰতীয় ভাষাত কিতাপ, পত্ৰ প্ৰকাশ কৰা, ইংৰাজী গ্ৰন্থ সমূহ ভাৰতীয় ভাষালৈ তৰ্জমা কৰা আদি আছিল মিচনেৰী সকলৰ অৱদান। মিচনেৰী সকলে মূলত চাৰিটা অঞ্চলত তেওলোকৰ কাৰ্য সম্পাদন কৰিছিল-

ASOMJOB.IN

# মাদ্ৰাজ- প্ৰথমে মাদ্ৰাজত এক কেন্দ্ৰ স্থাপনৰ জৰিয়তে, দুখন চেয়াৰিটী স্কুল স্থাপন। পাছত তাঞ্জোৰ, স্কালজ, বাংগালোৰ, পালম আদি ঠাইত বহু বিদ্যালয় স্থাপন কৰ দক্ষিন ভাৰতত শিক্ষাৰ প্ৰচাৰ কৰে।

# বোম্বাই- ১৫৮০ চনত জেটুইটচ কলেজ স্থাপনৰ লগতে আন আন বহু সৰু বৰ শিক্ষানুষ্ঠান স্থাপন কৰে।

# বংগদেশ- ১৭৯৮ চনত কলিকতা ফ্ৰী স্কুল চচাইতিয়ে এখন স্কুল স্থাপন কৰে। বাংলা ভাষাত বিভিন্ন কাকত পত্ৰ, আলোচনী আদিও মিচনেৰী সকলে প্ৰকাশ কৰিছিল।

এনেদৰেই মেচনেৰী সকলে ঠায়ে ঠায়ে ছপাশাল, শিক্ষক প্ৰক্ষিক্ষন কেন্দ্ৰ, আৰু চেয়াৰিটি স্কুল স্থাপন কৰি ভাৰতত আধুনিক শিক্ষা প্ৰৱৰ্তন কৰিছিল।

অসমৰ ক্ষেত্ৰতো প্ৰথম অসমীয়া বাতৰি কাকত অৰুনোদয়, অসমীয়া ব্যাকৰণ, আৰু অসমীয়া অভিধান আদি প্ৰকাশ কৰিছিল।

6. শৈক্ষিক প্ৰক্ৰিয়া কি? বিভিন্ন ধৰণৰ শৈক্ষিক প্ৰক্ৰিয়া সমূহ লিখা।

১+২=৩

উত্তৰ- ব্যক্তিয়ে জন্মৰ পৰা মৃত্যুলৈকে ইন্দ্ৰিয় সমূহৰ দ্বাৰা উদ্দীপক সমূহৰ পৰা অভিজ্ঞতা আহৰণ কৰা প্ৰক্ৰিয়াই হৈছে শৈক্ষিক প্ৰক্ৰিয়া।

এই আহৰণ কৰা অভিজ্ঞতা সমূহৰ দ্বাৰা ব্যক্তিৰ আচৰণৰ সংশোধন আৰু বিকাশ সাধন হয়।

শৈক্ষিক প্ৰক্ৰিয়া সমূহ হ'ল-

১) কিবা এটা আৱিস্কাৰ কৰা

২) স্মৃতি শক্তিৰ সহায়ত অভিজ্ঞতা সমূহ মনত ৰখা

৩) কোনো কাৰ্যত পাৰ্গত হোৱা

৪) পূৰ্ব অভিজ্ঞতা আৰু নতুন জ্ঞানৰ সংমিশ্ৰন ঘটাই নতুন ধাৰণাৰ সৃষ্টি কৰা।

7. শিক্ষাৰ ব্যক্তিগতকৰণে চৰকাৰী শিক্ষা ব্যৱস্থাত কেনেদৰে প্ৰভাৱ পেলাইছে লিখা।

৪

উত্তৰ- ১) শিক্ষাখণ্ডৰ মালিকীস্বত্ব ব্যক্তি, সংগঠন, ধাৰ্মিক সংগঠন, আৰু আন কৰ্পৰেট কোম্পানী সমূহৰ অধীনলৈ যায়। ফলত চৰকাৰী বিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰীৰ পৰিমান হ্ৰাস হবলৈ আৰম্ভ কৰে।

ASOMJOB.IN

২) শৈক্ষিক মানদণ্ডৰ বিভিন্নতা পৰিলক্ষিত হয়। ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান সমূহত প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ উন্নয়নৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হয়, ছাত্ৰ-ছাত্ৰী সকলৰ বাবে উন্নত পৰিকল্পনা, আধুনিক সজুলি আৰু ব্যৱস্থাপনা প্ৰদান কৰা হয়, ফলত তেওলোকৰ মানদণ্ড চৰকাৰী বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰা সকলৰ পৰা ভিন্ন হয়।

৩) শিক্ষাৰ ব্যৱসায়ীকৰণ হোৱাৰ পথ মুকলি হয়। ব্যক্তিগতকৰণৰ নামত বিনামূলীয়া শিক্ষা গ্ৰহণ ব্যৱস্থাটোৰ পৰিপন্থী হয়। ব্যক্তিগত বিদ্যালয় সমূহে বিভিন্ন শিতানত অভিভাৱক সমূহৰ পৰা শকত মাচুল সংগ্ৰহ কৰা পৰিলক্ষিত হয়।

৪) চৰকাৰী বিদ্যালয় সমূহ বন্ধ হোৱাৰ দিশে অগ্ৰসৰ হোৱা। তুলনামূলক ভাৱে ব্যক্তিগত বিদ্যালয়ত শিক্ষাৰ মানদণ্ড উন্নত হোৱাত আৰু আধুনিক সা-সুবিধা উপলব্ধ হোৱাত অভিভাৱক সমূহে নিজৰ সন্তানক ব্যক্তিগত বিদ্যালয়ত নাম ভৰ্তি কৰাত গুৰুত্ব প্ৰদান কৰা দেখা যায়। ফলত চৰকাৰী বিদ্যাল্যত শিশুৰ পৰিমান কমি যোৱাত বহু চৰকাৰী বিদ্যালয় বন্ধ কৰি দিয়া হয়।

8. শিক্ষাৰ লক্ষ্য কি? শিক্ষাৰ বৃত্তিগত লক্ষ্যৰ আৱশ্যকতা সম্পৰ্কে আলোচনা কৰা।
১+২=৩
উত্তৰ- শিক্ষাৰ লক্ষ্যৰ প্ৰতি বিভিন্ন শিক্ষাবিদ সকলে বিভিন্ন ধৰণে বৰ্ননা আগবঢ়াইছে ইয়াৰ ভিতৰত লক নামৰ চিন্তাবিদ গৰাকীয়ে দিয়া এটা সংজ্ঞা হ'ল- "শিক্ষাৰ প্ৰকৃত লক্ষ হ'ল সুস্থ শৰীৰত সুস্থ মনৰ সৃষ্টি কৰা"।
শিক্ষাৰ বৃত্তিগত লক্ষ্যৰ আৱশ্যকতা-
১) মানুহৰ প্ৰধান আৱশ্যকীয় প্ৰয়োজন সমূহ যেনে- অন্ন, বস্ত্ৰ, আৰু বাসস্থান নিজে যোগাৰ কৰিব পৰা ক্ষমতা অৰ্জন কৰা।

২) বৃত্তিমূলক লক্ষই ব্যক্তিক অৰ্থনৈতিক স্বাধীনতা আৰু সামজিক দক্ষতা আহৰণত সহায় কৰে।
৩) মানৱ সম্পদৰ বিকাশ সাধন হয়, নিজে আৰ্থিক ভাৱে স্বচ্ছল হোৱাৰ উপৰিও আন দহ জনক স্বাৱলম্বী হোৱাত সহায় কৰে।

9. এজন শিক্ষকে কেনেদৰে শিক্ষন শিকন প্ৰক্ৰিয়া ফলপ্ৰসূ কৰি তুলিব পাৰে বৰ্ননা কৰা।
৩
উত্তৰ- ১) শিক্ষাদান কাৰ্যতকৈ শিশুৱে শিক্ষা গ্ৰহন কৰাত বেছি গুৰুত্ব প্ৰদান কৰিব লাগে, শিশুৰ বয়স, আগ্ৰহ, ক্ষমতা আদি মনোবৈজ্ঞানিক দিশ সমূহ চালি জাৰি যায় প্ৰনালী বদ্ধ ভাৱে শিকন কাৰ্য সম্পাদন কৰিব লাগে।

ASOMJOB.IN

২) বিভিন্ন শিকন সজুলি, দৃশ্যশ্রব্য সজুলি, আদিৰ ব্যৱহাৰ কৰাৰ ওপৰি শিশুৱে হাতে কামে কৰি কোনো এটা বিষয় আয়ত্ব কৰাত অধিক গুৰুত্ব আৰোপ কৰিব লাগে|

৩) সুন্দৰ পাঠ পৰিকল্পনাৰ দ্বাৰও শিক্ষন শিকন প্ৰক্ৰিয়া অধিক ফলপ্ৰসূ কৰি তুলিব পাৰি|

10.শিক্ষকৰ বৃত্তিগত দক্ষতা বিকাশৰ বাবে কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব উল্লেখ কৰা|

৫

উত্তৰ- শিক্ষকৰ দক্ষতা বিকাশৰ বাবে গ্ৰহণ কৰিব লগীয়া ব্যৱস্থা-

১) শিক্ষক হিচাপে প্ৰথমে বিষয় বস্তুৰ গভীৰ জ্ঞান থকাটো অতি জৰুৰী|

২) দৈহিক উপযুক্ততা, শিক্ষক এজন দৈহিক ভাৱে আকৰ্ষণীয় হোৱাৰ লগতে সু-স্বাস্থ্যৰ অধিকাৰী হোৱাতো বাঞ্চনীয়|

৩) প্ৰতিজন শিক্ষক শিশুৰ মনোবৈজ্ঞানিক দিশত সচেতন হোৱা উচিৎ| ইয়াৰ বাবে শিক্ষকে উপযুক্ত প্ৰশিক্ষণ গ্ৰহণ কৰাৰ ব্যৱস্থা কৰিব লাগে|

৪) শিক্ষক এজন আৱেগিক ভাৱে নিয়ন্ত্ৰিত হোৱা উচিৎ|

৫) একগ্ৰতা হৈছে প্ৰতিজন শিক্ষকৰ থাকিবলগীয়া আন এক গুন| আগ্ৰহ আৰু নিষ্ঠা সহকাৰে শিক্ষকে নিজৰ কৰ্তব্য পালন কৰাত গুৰুত্ব দিব লাগে|

11.তথ্য জ্ঞান আৰু বোধৰ মাজত সম্পৰ্ক উলিওৱা|

৩

উত্তৰ- তথ্য হৈছে কোনো উদ্দীপকৰ দ্বাৰা ইন্দ্ৰিয় সমূহে আহৰণ কৰা কোনো ধৰণৰ বাৰ্তা বা সংকেট যাৰ কোনো অৰ্থ আছে, বা মানুহৰ মগজুৱে অৰ্থ বিচাৰি পায়|

জ্ঞান হৈছে প্ৰাপ্ত হোৱা তথ্য বা অভিজ্ঞতা সমূহৰ জৰিয়তে কোনো এক বিষয় বা বস্তুৰ বিষয়ে জনা| ব্যক্তিয়ে আহৰণ কৰা তথ্য সমূহৰ সহায়ত জ্ঞান প্ৰাপ্তি হয়|

বোধ হৈছে জ্ঞান অৰ্জনৰ পাছৰ এক প্ৰক্ৰিয়া য'ত ব্যক্তিয়ে কোনো বস্তু বা বিষয় বুজি পায়| তাক বৰ্ননা কৰিব পাৰে| পুৰণি অভিজ্ঞতাৰ লগত নতুনৰ সংমিশ্ৰন কৰি বিষয় বস্তুৰ ওপৰত নিৰ্দিষ্ট ধাৰণা প্ৰদান কৰিব পাৰে|

12.শিশুৱে কেনেকৈ জ্ঞান অৰ্জন কৰে? শিশুৰ জ্ঞান গঠনত প্ৰয়োগবাদৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা|

২+৪=৬

ASOMJOB.IN

উত্তৰ- শিশুৰ জ্ঞান অৰ্জনৰ কৰা প্ৰক্ৰিয়া সমূহ হ’ল-

১) অনুকৰণ কৰি শিক্ষা।

২) প্ৰচেষ্টা আৰু ভুল পদ্ধতিৰ দ্বাৰা শিক্ষা।

৩) অন্ত-দৰ্শন পদ্ধতিৰে শিক্ষা।

৪) অনুবন্ধনৰ দ্বাৰা শিক্ষা।

শিশুৰ জ্ঞান গঠনত প্ৰয়োগ বাদৰ ভূমিকা- ১) শিশুক অভিজ্ঞতা আৰু বাস্তৱ পটভূমিৰ যোগেদি শিক্ষা গ্ৰহণ কৰা ব্যৱস্থা প্ৰয়োগবাদী চিন্তাৰ অৱদান।

২) প্ৰয়োগবাদী সকলে শিশুক স্বাধীনতা প্ৰদান কৰে, শিশুৱে নিজৰ আগ্ৰহ, ইচ্ছা, অভিৰুচী অনুসৰি নিজে পচন্দ কৰা বিষয়ৰ শিক্ষা গ্ৰহণ কৰিব পাৰে।

৩) এনে ব্যৱস্থাত শিশুৱে নিজৰ কৌতূহল সমূহ প্ৰশ্নৰ জৰিয়তে উত্থাপন কৰে আৰু ইয়াৰ সমাধান প্ৰাকৃতিক বাস্তৱ পৰিৱেশত কৰিবলৈ প্ৰয়াস কৰে।

৪) শিশু সকলে নিষ্ক্ৰীয় শ্ৰোতা হৈ নাথাকি শিক্ষা ব্যৱস্থাটোত সক্ৰিয় ভাৱে অংশগ্ৰহণ কৰে আৰু আনন্দ মনেৰে কোনো বিষয় আয়ত্ব কৰিবলৈ সুবিধা পায়।

ASOMJOB.IN